**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 29-MAY-2026 **Time :** 1845 HRS

***<u>Assamese Evening Bulletin</u>***

# HEADLINES

১। ভাৰত বিশ্ব শক্তি হিচাপে পৰিগণিত হোৱাৰ ক্ষেত্ৰত তৃণমূল পৰ্যায়ৰ উন্নয়নে গুৰুত্বপূৰ্ণ ভূমিকা ল'ব বুলি কেন্দ্ৰীয় ৰাজ্যমন্ত্ৰী অধ্যাপক এছ্ পি সিং বাঘেলৰ প্ৰকাশ।

২। ৰাজ্যত লোকপিয়লৰ দায়িত্বত নিয়োজিত বিষয়া-কৰ্মচাৰীৰ প্ৰশিক্ষণ কাৰ্যসূচী অব্যাহত।

৩। জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত অভিযুক্ত শ্যামকানু মহন্তৰ জামিন আবেদন ন্যায়ালয়ৰ নাকচ।

**আৰু**

৪। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ দ্বিতীয়খন কোৱালিফায়াৰত আজি ৰাজস্থান ৰয়েলছ্ আৰু গুজৰাট টাইটানছ্ মুখামুখি।

oooooooo

২০৪৭ চনৰ ভিতৰত ভাৰত বিশ্ব শক্তি আৰু আগশাৰীৰ অৰ্থনীতি হিচাপে পৰিগণিত হোৱাৰ ক্ষেত্ৰত তৃণমূল পৰ্যায়ৰ উন্নয়নে নিৰ্ণায়ক ভূমিকা গ্ৰহণ কৰিব বুলি কেন্দ্ৰীয় পঞ্চায়তীৰাজ দপ্তৰৰ ৰাজ্যমন্ত্ৰী অধ্যাপক এছ পি সিং বাঘেলে আজি গুৱাহাটীত প্ৰকশ কৰে। পঞ্চায়তীৰাজ মন্ত্ৰালয়ৰ উদ্যোগত গুৱাহাটীত আজি **সেৱা চে সমৃদ্ধি** শীৰ্ষক সেৱা প্ৰদান বিষয়ক এখন আঞ্চলিক কৰ্মশালা উদ্বোধন কৰি শ্ৰী বাঘেলে কয় যে গ্ৰামাঞ্চলৰ জনসাধাৰণৰ সবলীকৰণ দেশৰ উন্নয়নৰ অন্যতম চৰ্ত। তেওঁ প্ৰতিজন ব্যক্তিয়ে প্ৰাপ্য সুবিধা লাভ কৰবি পৰাকৈ পঞ্চায়তীৰাজ ব্যৱস্থা উন্নীত কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। সমূহীয়া সেৱা কেন্দ্ৰসমূহৰ ভূমিকাৰ ওপৰত আলোকপাত কৰি শ্ৰীবাঘেলে কয় যে এই কেন্দ্ৰসমূহে প্ৰশাসন ব্যৱস্থাক জনসাধাৰণৰ ওচৰ চপাই নিয়াৰ ক্ষেত্ৰত বিশেষ ভূমিকা লৈছে। সাংবাদিকৰ আগত শ্ৰী বাঘেলে এইদৰে কয়-

(বাইট)

পঞ্চায়তৰ নেতৃত্বত সেৱা প্ৰদান ব্যৱস্থাৰ প্ৰতি সন্মান জনাই আয়োজন কৰা এই কৰ্মশালাত মন্ত্ৰী ৰামেশ্বৰ তেলীও উপস্থিত থাকে। এই কৰ্মশালাত অসম, অন্ধ্ৰপ্ৰদেশ, মধ্যপ্ৰদেশ, ওড়িশা, পাঞ্জাব, ৰাজস্থান আৰু তেলেংগানাৰ পঞ্চায়তৰ বিষয়ববীয়া, নিৰ্বাচিত প্ৰতিনিধি, গাঁও পঞ্চায়তৰ উদ্যোগীসকলৰ লগতে ৰাজ্য চৰকাৰৰ বিষয়াসকলে অংশগ্ৰহণ কৰে। ৰাজ্যসমূহৰ শ্ৰেষ্ঠ প্ৰদৰ্শনকাৰী গাঁও পঞ্চায়ত আৰু চেম্পিয়ন সমূহীয়া সেৱা কেন্দ্ৰক এই কৰ্মশালাত সম্বৰ্ধনা জনোৱা হয়।

ooooo

গুৱাহাটী উচ্চ ন্যায়ালয়ে জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত অন্যতম অভিযুক্ত শ্যামকানু মহন্তৰ জামিন আবেদন নাকচ কৰিছে। ন্যায়াধীশ মিতালী ঠকুৰীয়াৰ বিচাৰপিঠে অভিযুক্ত পক্ষ আৰু চৰকাৰী পক্ষৰ যুক্তি

শুনাৰ পাছত মহন্তৰ জামিন আবেদন নাকচ কৰে। ন্যায়ালয়ে অভিযুক্ত মহন্তৰ বিচাৰ প্ৰক্ৰিয়াৰ পৰা আঁতৰি যোৱাৰ সম্ভাৱনা, তথ্য প্ৰমাণ নষ্ট কৰা আৰু গোচৰৰ সাক্ষীক প্ৰভাৱান্বিত কৰাৰ সম্ভাৱনাৰ প্ৰতি লক্ষ্য ৰাখি জামিন আবেদন অগ্ৰাহ্য কৰে। অসম চৰকাৰৰ মহাধিবক্তা দেৱজিৎ শইকীয়াই এই সন্দৰ্ভত সাংবাদিকৰ আগত এইদৰে কয়-

বাইট (দেৱজিৎ শইকীয়া)

ইয়াৰ পূৰ্বে বাক্সাৰ জিলা কাৰাগাৰত বন্দী হৈ থকা অভিযুক্ত শ্যামকানু মহন্তৰ জামিন আবেদন সন্দৰ্ভত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মজিয়াত কেইবাদিনো ধৰি শুনানি অনুষ্ঠিত হৈছিল। শুনানিকালত জ্যেষ্ঠ অধিবক্তা প্ৰাণ বৰাই অভিযুক্ত শ্যামকানু মহন্তৰ জামিনৰ সপক্ষে যুক্তি প্ৰদৰ্শন কৰাৰ বিপৰীতে ৰাজ্য চৰকাৰৰ হৈ মহাধিবক্তা দেৱজিৎ শইকীয়াই ইয়াৰ বিৰোধিতা কৰিছিল। উভয় পক্ষৰ যুক্তি শুনাৰ পাছত উচ্চ ন্যায়ালয়ে আজি শ্যামকানু মহন্তৰ জামিন আবেদনৰ ৰায় প্ৰদান কৰে। উল্লেখযোগ্য যে ইয়াৰ পূৰ্বে ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্টট্ৰেক আদালতেও অভিযুক্ত মহন্তৰ জামিন আবেদন নাকচ কৰিছিল। উচ্চ ন্যায়ালয়ে আজি অভিযুক্তৰ জামিন আবেদন নাকচ কৰা সন্দৰ্ভত বিশেষ লোক অধিবক্তা জিয়াউল কামাৰে সাংবাদিকৰ আগত এইদৰে কয়-

(বাইট)

ইপিনে জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত অভিযুক্ত শেখৰজ্যোতি গোস্বামীৰ জামিন আবেদন আজি ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্টট্ৰেক আদালতে নাকচ কৰে। আন ৪ গৰাকী অভিযুক্ত অমৃত প্ৰভা মহন্ত, সন্দীপন গাৰ্গ, পৰেশ বৈশ্য আৰু নন্দেশ্বৰ বৰাৰ জামিন আবেদনৰ শুনানী আজি ফাষ্টট্ৰেক আদালতত সম্পন্ন হয়। অহা ৮ জুনত এই ৪ গৰাকী অভিযুক্তৰ পুনৰ শুনানী অনুষ্ঠিত হ'ব।

oooooo

ৰাজ্যত অহা ২ আগষ্টত দুটা পৰ্যায়ত লোকপিয়ল আৰম্ভ হ'ব। ১৭ আগষ্টৰ পৰা গণনাকাৰী বিষয়াসকলে ঘৰে ঘৰে গৈ জনগণনা কৰিব। এই প্ৰক্ৰিয়া ১৫ ছেপ্তেম্বৰ পৰ্যন্ত চলিব। সমগ্ৰ প্ৰক্ৰিয়াটোৰ বাবে ৮৫ হাজাৰ গণনাকাৰী বিষয়া নিয়োগ কৰা হৈছে। ৰাজ্যৰ বিভিন্ন জিলাত লোকপিয়ল ২০২৭ৰ প্ৰথম পৰ্যায়ৰ গৃহ তালিকা আৰু গৃহ পিয়ল সম্পৰ্কীয় প্ৰশিক্ষণ আৰম্ভ হৈছে। লোকপিয়লৰ প্ৰতি লক্ষ্য ৰাখি ইয়াৰ দায়িত্বত নিয়োজিত বিষয়া-কৰ্মচাৰীসকলৰ বদলিকৰণৰ ওপৰত বাধানিষেধ আৰোপ কৰা হৈছে। কেন্দ্ৰীয় গৃহ সচিবৰ পৰা এই সন্দৰ্ভত এখন পত্ৰ লাভ কৰা বুলি ৰাজ্যৰ কৰ্মচাৰী বিভাগৰ উপ-সচিব মুন্মী শইকীয়াই অৱগত কৰিছে। ইতিমধ্যে এই সন্দৰ্ভত সাধাৰণ প্ৰশাসন বিভাগৰ সচিব আৰু সকলো জিলাৰ আয়ুক্তলৈ পত্ৰ প্ৰেৰণ কৰা হৈছে। তামুলপুৰ, ধেমাজি, শিলচৰ, মৰিগাঁও জিলাত কালি লোকপিয়লৰ প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হয়। আজি যোৰহাট জিলা আয়ুক্তৰ কাৰ্যালয়ত জিলা পৰ্যায়ৰ গৃহ তালিকা আৰু গৃহ পিয়লৰ দ্বিতীয় দিনাৰ প্ৰশিক্ষণ কাৰ্যসূচী সম্পন্ন হয়। এই প্ৰশিক্ষণ কাৰ্যসূচীত অতিৰিক্ত জিলা আয়ুক্তদ্বয় দ্যোতিভা বৰা আৰু প্ৰিতম কুমাৰ দাস উপস্থিত থাকে। অনুষ্ঠানত লোকপিয়ল সঞ্চালকালয়ৰ উপ-সঞ্চালক

প্ৰজ্ঞানজ্যোতি খাউণ্ড আৰু জ্যেষ্ঠ পৰিদৰ্শক পুলিন নাথে সমল ব্যক্তিৰূপে ভাগ লয়। শিৱসাগৰ জিলাৰ জিলা আয়ুক্তৰ কাৰ্যালয়ৰ চুকাফা সভাকক্ষত আজি দ্বিতীয় দিনাৰ প্ৰশিক্ষণ অনুষ্ঠিত হয়। এই প্ৰশিক্ষণত সহকাৰী

প্ৰধান লোকপিয়ল বিষয়া নয়নমণি গগৈ  আৰু পৰিসংখ্যা বিষয়া অৰ্পণ দেৱনাথে প্ৰশিক্ষণ প্ৰদান কৰে। সমাগত লোকপিয়ল সুচাৰুৰূপে সম্পন্ন কৰাৰ উদ্দেশ্যে আয়োজিত এই প্ৰশিক্ষণ কাৰ্যসূচী কাইলৈকে চলিব।

০০০০০০০

দেশত ৰন্ধন গেছ, পেট্ৰ'ল আৰু ডিজেলৰ যোগান পৰ্যাপ্ত পৰিমাণে আছে বুলি কেন্দ্ৰীয় চৰকাৰে প্ৰকাশ কৰিছে। পশ্চিম এছিয়াৰ পৰিস্থিতি সন্দৰ্ভত দেশজুৰি ইন্ধনৰ সংকট সম্পৰ্কত সৃষ্টি হোৱা আশংকা দূৰ কৰি পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ৰ যুটীয়া সচিব সুজাতা শৰ্মাই এই বিষয়ে প্ৰকাশ কৰে। তেওঁ জনসাধাৰণক আতংকিত হৈ ইন্ধন ক্ৰয় নকৰিবলৈ আহ্বান জনায়।

বাইট

০০০০০০

কিশোৰীসকলক জৰায়ুমুখৰ কৰ্কট ৰোগৰ পৰা সুৰক্ষা দিয়াৰ বাবে কেন্দ্ৰীয় চৰকাৰে যোৱা ফেব্ৰুৱাৰীৰ পৰা আৰম্ভ কৰা এইছ পি ভি প্ৰতিষেধক প্ৰদান অভিযান ৰাজ্যৰ বিভিন্ন প্ৰান্তত অব্যাহত আছে। ভাৰতৰ মহিলাসকলৰ মাজত এই ৰোগ দ্বিতীয় সৰ্বাধিক হিচাপে বিবেচিত হোৱাৰ পৰিপ্ৰেক্ষিতত চৰকাৰে এই কাৰ্যসূচী আৰম্ভ কৰিছে। ওদালগুৰি জিলাৰ টংলাৰ সামূহিক স্বাস্থ্য কেন্দ্ৰ, ভেৰগাঁও আদৰ্শ চিকিৎসালয়, ডিমাকুছি আদৰ্শ চিকিৎসালয়, খৈৰাবাৰী, ওদালগুৰি আৰু ওৰাং সামূহিক স্বাস্থ্য কেন্দ্ৰৰ লগতে মহলীয়াপাৰা আদৰ্শ চিকিৎসালয়ত এই প্ৰতিষেধক প্ৰদান কাৰ্যসূচী ৰূপায়ণ কৰা হয়।

মৰিগাঁও জিলাত আজি আয়ুক্ত অনামিকা তিৱাৰীয়ে এই প্ৰতিষেধক প্ৰদান কাৰ্যসূচীৰ পৰ্যালোচনা কৰে। এই কাৰ্যসূচীৰ পৰা যাতে এগৰাকীও কিশোৰী বাদ পৰি নাযায় তাৰ বাবে উপযুক্ত ব্যৱস্থা ল'বলৈ আয়ুক্তগৰাকীয়ে সংশ্লিষ্টসকলক আহ্বান জনায়।

০০০০০০০

বিশ্ব ঐতিহ্য ক্ষেত্ৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ সংৰক্ষণ ক্ষেত্ৰ আজিৰে পৰা পৰ্যটকৰ বাবে বন্ধ কৰা হৈছে। বাৰিষা আৰু বান পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি উদ্যান কৰ্তৃপক্ষই এই সিদ্ধান্ত গ্ৰহণ কৰে। তথ্য অনুসৰি ২০২৫-২৬ পৰ্যটন বৰ্ষত উদ্যানখনলৈ ৪ লাখ ৬৮ হাজাৰৰো অধিক পৰ্যটকৰ আগমন হয়। ইয়াৰে ভিতৰত ৪ দশমিক ৫ শতাংশ বিদেশী পৰ্যটক আছে। অক্টোবৰ-নৱেম্বৰত ৰাষ্ট্ৰীয় উদ্যানখন পুনৰ পৰ্যটকৰ বাবে মুকলি কৰা হ'ব।

০০০০০০

তেজপুৰত পূৰ্বৰ দৰে এই বছৰো অহা ৬ আৰু ৭ জুনত তেজপুৰ লিচু মহোৎসৱ অনুষ্ঠিত হ'ব। আজি শোণিতপুৰ জিলাৰ আয়ুক্ত আনন্দ কুমাৰ দাসে লিচু মহোৎসৱ হ'বলগীয়া পকুৱা লিচু বাগিছা আৰু পল্টন পুখুৰী লিচু বাগিছা পৰিদৰ্শন কৰে। তেওঁৰ সৈতে **টেৰী**ৰ জ্যেষ্ঠ বিষয়া ড০ দিপাংকৰ চহৰীয়া, ক্ষুদ্ৰ অনুদান কাৰ্যসূচীৰ ৰাষ্ট্ৰীয় সমন্বয়ক মনীষ কুমাৰ পাণ্ডে, সহকাৰী আয়ুক্ত অৰ্ণৱ বৰকটকী, মহকুমা কৃষি বিষয়া ড০ জাকিৰ হুছেইন আৰু অন্যান্য বিভাগীয় বিষয়াসকলো আছিল। পৰিদৰ্শনৰ সময়ত দলটোৱে লিচু মহোৎসৱৰ জৰিয়তে লিচু খেতিয়কৰ বাবে বজাৰ সংযোগ নিশ্চিত কৰা কৃষকৰ অংশগ্ৰহণ বৃদ্ধি কৰা তেজপুৰৰ লিচুক বিশ্বৰ প্ৰেক্ষাপটত পৰিচয় কৰি দিয়া আদি বিষয়ত আলোকপাত কৰে।

০০০০০০

পৰিষ্কাৰ শক্তিৰ যাত্ৰাত ভাৰতে ঐতিহাসিক মাইলৰ খুঁটিত উপনীত হৈছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত কেন্দ্ৰীয় নতুন আৰু পুনৰ নৱীকৰণ শক্তি দপ্তৰৰ মন্ত্ৰী প্ৰহ্লাদ যোশীয়ে কয় যে, প্ৰধানমন্ত্ৰী সূৰ্য্য ঘৰ আঁচনিৰ অধীনত দেশৰ ৪০ লাখ পৰিয়ালত সৌৰ শক্তিৰ আওতালৈ অনা হৈছে। তেওঁ লগতে কয় যে, এই পুনৰ নৱীকৰণ শক্তি আঁচনিৰ জৰিয়তে নাগৰিক সকল শক্তিৰ গ্ৰাহকৰ পৰা শক্তিৰ উৎপাদকলৈ ৰূপান্তৰ হৈছে। এই আঁচনিৰ জৰিয়তে পৰিয়াল সমূহৰ বিদ্যুত ব্যয় হ্ৰাস হোৱাৰ লগতে পৰিয়ালসমূহে চৰকাৰৰ ৰাজ সাহায্যৰ দ্বাৰা উপকৃত হৈ বিদ্যুত ব্যয় শূন্য কৰিবলৈ সমৰ্থ হৈছে।

০০০০০০০

গুৱাহাটী মহানগৰীৰ সমীপৱৰ্তী ডিমৰীয়াৰ তেতেলিয়াত আজি পুৱা সংঘটিত এটা পথ দুৰ্ঘটনাত একেটা পৰিয়ালৰ ৪ জন লোক নিহত হয়। অৰুণাচল প্ৰদেশৰ পঞ্জীয়নভুক্ত এখন বলেৰ' গাড়ীয়ে ৰাষ্ট্ৰীয় ঘাইপথত ৰখাই থোৱা এখন ট্ৰাকত খুন্দা মৰাৰ ফলতে এই দুৰ্ঘটনাটো সংঘটিত হয়। নিহত লোকসকলক লিগি বাৰাছা, তেওঁৰ পত্নী কুংগা ডাইমা আৰু তেওঁলোকৰ দুই সন্তান কাৰ্মা চিৰাপ খিৰিমি আৰু গিমিৰা বাৰাছা বুলি চিনাক্ত কৰা হৈছে।

০০০০০

গোৱালপাৰা জিলাৰ আগিয়া আৰক্ষী থানাৰ অন্তৰ্গত গৰাইমাৰী গাঁৱত আজি এটা নিৰ্মীয়মান শৌচালয়ৰ টেংকিত সোমাই ৩ জন লোকৰ মৃত্যু হোৱাৰ লগতে এজনক সংকটজনক অৱস্থাত চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়। মৃত্যু হোৱা লোক ৩ জনক যোচক ৰাভা, কৃষ্ণ ৰয় আৰু দিলীপ দাস বুলি চিনাক্ত কৰা হৈছে। কেইবামাহো ধৰি বন্ধ হৈ থকা টেংকিটো পৰিস্কাৰ কৰাৰ বাবে লোক কেইজনে প্ৰৱেশ কৰাৰ পাছতেই এই শোকাৱহ ঘটনাটো ঘটে। আনহাতে এই ঘটনাত গুৰুতৰভাৱে অসুস্থ হৈ পৰা বাজপেয়ী ৰাভা নামৰ এজন লোকক গোৱালপাৰাৰ শ্বহীদ নিধানুৰাম অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰা হয়।

০০০০০০

ধেমাজিৰ তেলিজান তিনিআলিত কালি নিশা সংঘটিত এটা পথ দুৰ্ঘটনাত উদীয়মান ব্যৱসায়ী মণিকা সোনোৱাল নামৰ যুৱতীগৰাকীৰ মৃত্যু হয়। ফল-মূলৰ ৰসৰ ব্যতিক্ৰমী ব্যৱসায় কৰি জনপ্ৰিয় হৈ পৰা মণিকাক কালি নিশা স্কুটীৰ পৰা পৰি যোৱাৰ পাছত এখন অচিনাক্ত বাহনে খুন্দিওৱাত গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয়। পাছত যুৱতীগৰাকীক ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয় হাস্পাতাললৈ নিয়া হৈ যদিও চিকিৎসালয়ত তেওঁক মৃত ঘোষণা কৰা হয়।

০০০০০০০

ঢকুৱাখনাৰ হোমেন বৰগোঁহাই ন্যাসৰ উদ্যোগত আয়োজিত **প্ৰেৰণাৰ এপষেক** শীৰ্ষক কাৰ্যসূচীলানিৰ শেষৰটো অনুষ্ঠান আজি ধেমাজিৰ মাছখোৱা টাউন হাইস্কুলত অনুষ্ঠিত হয়। অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, বিশিষ্ট কথাশিল্পী হোমেন বৰগোঁহাইৰ মৃত্যু বাৰ্ষিকীৰ লগত সংগতি ৰাখি আয়োজন কৰা এই অনুষ্ঠানত ন্যাসৰ সচিব সেৱক চন্দ্ৰ চুতীয়া, ঢকুৱাখনা আদৰ্শ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ

কল্পনা গগৈকে আদি কৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে সাহিত্যিকগৰাকীৰ জীৱন আৰু কৰ্মৰাজীৰ ওপৰত আলোকপাত কৰে।

oooooo

বাক্সা জিলাৰ ডি আৰ ডি এৰ সন্মিলন কক্ষত আজি জিলা উন্নয়ন সমিতিৰ এখন পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। বি টি চিৰ সচিব তথা বাক্সা জিলাৰ প্ৰভাৰী মানস দাসৰ সভাপতিত্বত অনুষ্ঠিত বৈঠকখনত জিলাখনৰ বিভিন্ন বিভাগৰ মুৰব্বীসকলে অংশগ্ৰহণ কৰে। বৈঠকত বিভাগীয় মুৰব্বীসকলে জিলাখনত চলি থকা বিভিন্ন আঁচনি আৰু প্ৰকল্পৰ বৰ্তমানৰ স্থিতি সন্দৰ্ভত সচিবগৰাকীক অৱগত কৰে। তেওঁ জিলাখনত চলি থকা উন্নয়নমূলক কাম-কাজসমূহ ফলপ্ৰসুভাৱে ৰূপায়ন কৰাৰ বাবে আৰু বিভিন্ন বিভাগৰ মাজত সমন্বয় ৰক্ষাৰ বাবে গুৰুত্ব আৰোপ কৰে।

ooooooo

অপাৰেচন সিন্দুৰৰ প্ৰথম বাৰ্ষিকী উপলক্ষে আই আই টি গুৱাহাটীয়ে আজি মাউণ্টেইন আৰ্টিলাৰী ব্ৰিগেডৰ সৈতে প্ৰতিষ্ঠানটোৰ চৌহদত এটা স্মাৰক কাৰ্যসূচীৰ আয়োজন কৰে। আই আই টি গুৱাহাটীয়ে বৈচিত্ৰ্য আৰু সমতা কোষৰ উদ্যোগত আয়োজিত এই অনুষ্ঠানত ব্ৰিগেডৰ কামাণ্ডাৰ সেনা পদকপ্ৰাপ্ত জি এছ্ গ্ৰেৱালে বিশেষ বক্তৃতা প্ৰদান কৰে। বক্তৃতাত জটিল পৰিস্থিতিত সিদ্ধান্ত গ্ৰহণ, প্ৰতিকূলতাৰ সৈতে খাপ খোৱা আৰু ভৱিষ্যমুখী সমাজ গঢ়াৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ বিষয়সমূহত আলোকপাত কৰা হয়। অনুষ্ঠানত অপাৰেচন সিন্দুৰৰ সৈতে জড়িত প্ৰতিগৰাকী ব্যক্তিৰ ত্যাগ আৰু সমৰ্পনক সন্মান জনোৱা হয়।

oooooo

মৰিগাঁও জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত আজি জিলা উন্নয়ন সমিতিৰ এই মাহৰ বৈঠক অনুষ্ঠিত হয়। জিলা আয়ুক্ত অনামিকা তিৱাৰীয়ে বিভাগীয় মুৰব্বীসকলৰ সৈতে প্ৰতিটো বিভাগৰ কাম-কাজ পৰ্যালোচনা কৰে। তেওঁ শিক্ষা বিভাগৰ সৈতে পৰ্যালোচনা কালত কন্যা শিশুৰ ১০০ শতাংশ বিদ্যালয়ত নামভৰ্তি সুনিশ্চিত কৰিবলৈ আহ্বান জনায়।

ooooooo

আকাশবাণী গুৱাহাটীৰ দপ্তৰী হিচাপে কাৰ্যনিৰ্বাহ কৰা সূৰ্য বৰ্মনে আজি অৱসৰ গ্ৰহণ কৰে। ১৯৮৭ চনৰ ১ জানুৱাৰীত তেওঁ চাকৰিত যোগদান কৰিছিল। আজি আকাশবাণী গুৱাহাটী কেন্দ্ৰত আয়োজিত এটা অনুষ্ঠানত শ্ৰীবৰ্মনক বিদায় সম্ভাষণ জনোৱা হয়।

oooooo

আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ কাইলৈ নিশা ৮ বাজি ২ মিনিটৰ দৃষ্টিপাত অনুষ্ঠানত ২০৪৭ চনৰ বিকশিত ভাৰতৰ লক্ষ্য আৰু জনগাঁথনিগত সুযোগৰ সম্ভাৱনা শীৰ্ষক এটা আলোচনা প্ৰচাৰ কৰা হ'ব। এই আলোচনাত সমল ব্যক্তি হিচাপে অংশ ল'ব আই আই টি গুৱাহাটীৰ স্কুল অব বিজনেছৰ সহযোগী অধ্যাপক ড০ কুলদীপ বৈশ্যই। আলোচনাৰ আঁত ধৰিব পৰিস্মীতা দিহিঙিয়া আৰু জিণ্টী ৰাণী ডেকাই। অনুষ্ঠানটিৰ প্ৰযোজনা আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ।

ooooooo

আই পি এল ক্রিকেট প্ৰতিযোগিতাত আজি নিউ চণ্ডিগড়ত হ'বলগীয়া দ্বিতীয়খন কোৱালিফায়াৰত ৰাজস্থান ৰয়েলছ্ গুজৰাট টাইটানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে সাত বজাত আৰম্ভ হ'ব। খেলখনৰ বিজয়ী দলটোৱে দেওবাৰে আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত হ'বলগীয়া ফাইনেলত ৰয়েল ছেলেঞ্জৰ্ছ বাংগালুৰুৰ সন্মুখীন হ'ব। ৰাজস্থান ৰয়েলছে প্ৰথমখন এলিমিনেটৰক ছানৰাইজাৰ্ছ হায়দৰাবাদক পৰাভূত কৰি দ্বিতীয়খন কোৱালিফায়াৰত স্থান নিশ্চিত কৰাৰ বিপৰীতে গুজৰাট টাইটানছ্ প্ৰথমখন কোৱালিফায়াৰত যোৱাবাৰৰ চেম্পিয়ন ৰয়েল ছেলেঞ্জাৰ্ছ বাংগালুৰুৰ হাতত পৰাজয়ৰ সন্মুখীন হ'বলগীয়া হৈছিল।

০০০০০০

**সমাপ্ত**